# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-08-2025
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

সমাগত বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। ৰাজনৈতিক দলসমূহে বিভিন্ন সমষ্টিৰ বাবে নিজ নিজ দলৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ সমান্তৰালকৈ প্ৰশাসনেও কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। বি পি এফ দলে আজি এই নিৰ্বাচনৰ বাবে ১০ জনীয়া দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। দলৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে আজি কোকৰাঝাৰত আয়োজিত এটা কাৰ্যসূচীত প্ৰাৰ্থীসকলৰ নাম ঘোষণা কৰে। ইপিনে বাক্সা জিলাৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ লক্ষী বজাৰত আজি আবেলি বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ এই নিৰ্বাচনৰ বাবে ইউ পি পি এলৰ দ্বিতীয়খন প্ৰাৰ্থী তাালিকা শীঘ্ৰেই ঘোষণা কৰা হব বুলি উল্লেখ কৰে। শাসনাধিষ্ঠিত দলটোৱে আজি কোকৰাঝাৰ জিলাত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। এই নিৰ্বাচনত দলে ৪০খন আসনতে প্ৰাৰ্থী দিব বুলি ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে দলটোৱে ইতিমধ্যে নিৰ্বাচনৰ বাবে ১৮ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। তামুলপুৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্তীয়ে সমাগত বিটিচিৰ নিৰ্বাচন উপলক্ষে পুস্তিকা, পোষ্টাৰ আদি মুদ্ৰণ সম্পৰ্কীয় কিছু বাধা নিষেধ ঘোষণা কৰিছে। মুদ্ৰক আৰু প্ৰকাশকৰ নাম-ঠিকনা আদি স্পষ্টকৈ উল্লেখ নথকা কোনো নিৰ্বাচনী পুস্তিকা বা পোষ্টাৰ মুকলি কৰিব নোৱাৰিব।

00000

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আজি গুৱাহাটী মহানগৰীৰ ৰুক্মিণীগাঁৱত থকা ঔষধ পৰিদৰ্শক পংকজ কাকতিৰ বাসগৃহত অভিযান চলায়। আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত তদাৰকী কোষৰ সাতজনীয়া দলে দীৰ্ঘ সময় ধৰি অভিযান চলাই কাকতিৰ নথিপত্ৰসমূহ পৰীক্ষা কৰে। পংকজ কাকতিৰ বিৰুদ্ধে ঔষধৰ নামত ধন আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন হৈছিল। তদন্তকাৰী কোষে অভিযানত কেতবোৰ নথিপত্ৰৰ লগতে দুখন বাহন জব্দ কৰে।

00000

কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পহিলা ছেপ্তেম্বৰত নিয়মীয়া সময়ত পাঠদান আৰম্ভ হ'ব। কামৰূপ মহানগৰ জিলাৰ আয়ুক্তৰ সৈতে হোৱা আলোচনা মৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অৱশ্যে গৰমৰ প্ৰকোপ একে থকাৰ বাবে বিদ্যালয়সমূহত পুৱাৰ সমাবেশ শ্ৰেণীকোঠাৰ ভিতৰত সম্পন্ন কৰিবলৈ কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা মিছন সমন্বয়ক দীপিকা চৌধুৰীয়ে  সকলো অধ্যক্ষ, প্ৰধান শিক্ষকলৈ নিৰ্দেশনা জাৰি কৰিছে। লগতে বিদ্যালয়সমূহত পৰ্যাপ্ত খোৱা পানী যোগান ধৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

00000

সমাজত ইতিবাচক পৰিৱৰ্তন সাধনৰ বাবে অধিকাংশ লোকৰ মনত সংস্কাৰকামী আৰু পৰিৱৰ্তনমুখী চিন্তাৰ উদ্ৰেক হোৱাৰ প্ৰয়োজন। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত আজি বৰ্ষীয়ান সাংবাদিক  হায়দৰ

হুছেইনে এই মন্তব্য কৰে। অনুষ্ঠানটোত সাংবাদিকগৰাকীয়ে তেওঁৰ সাংবাদিকতাৰ আৰম্ভণিৰ সময়ৰে পৰা বিভিন্ন ৰাজনৈতিক, সামাজিক উত্থান-পতনৰ সাক্ষী হোৱাৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰে। তেওঁ সমাজত সুস্থ আৰু গঠনমূলক সমালোচনাৰ অভাৱ হৈছে বুলিও মন্তব্য কৰে। সমগ্ৰ পৃথিৱী আৰু সকলো ধৰ্মক এক বুলি ভবাৰ মানসিকতা ৰখা জ্যেষ্ঠ সাংবাদিকগৰাকীয়ে অসমীয়া হিচাপে গৌৰৱ অনুভৱ কৰে বুলিও অনুষ্ঠানটোত মন্তব্য কৰে। আজিৰ দৃষ্টিপাতৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আছিল আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

00000

নগাওঁ কেন্দ্ৰীয় কাৰাগাৰৰ অধীক্ষক মুকুল ভূঞাক আজি তৎকালে বলবৎ হোৱাকৈ ৰাজ্য চৰকাৰে নিলম্বন কৰে। কালি জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মা আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই কেন্দ্ৰীয় কাৰাগাৰটো আকস্মিকভাৱে পৰিদৰ্শন কৰি কেতবোৰ অনিয়ম পোহৰলৈ আনে। এই অনুসৰি কয়দীক নিচাজাতীয় দ্ৰব্য যোগান ধৰাৰ অভিযোগত আৰক্ষীয়ে কালি জিলা কেন্দ্ৰীয় কাৰাগাৰৰ দুজন কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰে। নগাঁও সদৰ থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত কাৰাগাৰৰ কৰ্মচাৰী বিবেক পতংগীয়া আৰু উপেন হাজৰিকাক গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ পাছতে কাৰাগাৰত চলা অনিয়ম সন্দৰ্ভত আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰে। যোৰহাট চক্ৰৰ কাৰাগাৰ উপ-মহাপৰিদৰ্শক অজিত দলেই আজি এই অনিয়ম সন্দৰ্ভত তদন্তৰ বাবে কাৰাগাৰত উপস্থিত হয়।

00000

মেঘালয়ৰ সোণাপুৰত হোৱা ভূমিস্খলৰ বাবে শিলচৰ-শ্বিলং-গুৱাহাটী সংযোগী ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথেৰে যাতায়াত বন্ধ হৈ পৰিছে। পথটোত শ শ যানবাহন আৱদ্ধ হৈ আছে। পূব জয়ন্তীয়া পাৰ্বত্য প্ৰশাসনে পথটো যাতায়তৰ বাবে মুকলি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। জিলা প্ৰশাসনে পথ মুকলি নোহোৱালৈকে চালকসকলক বিকল্প পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

00000

ৰাষ্ট্ৰীয় লোক আদালতৰ অংশ হিচাপে লখিমপুৰ জিলাত অহা ১৩ ছেপ্তেম্বৰত লোক আদালতৰ আয়োজন কৰা হৈছে। জিলা আইনসেৱা প্ৰাধিকৰণৰ উদ্যোগত লখিমপুৰ জিলা ন্যায়ালয় আৰু ঢকুৱাখনা মহকুমা ন্যায়ালয়ত এই আদালতৰ আয়োজন কৰা হৈছে। এই আদালতৰ জৰিয়তে শ্ৰম বিবাদ, বেংকৰ ঋণ অনাদায়কে ধৰি সমিলমিলেৰে মীমাংসা কৰিব পৰা ফৌজদাৰী আৰু দেৱানী গোচৰ নিষ্পত্তি কৰা হ'ব। লখিমপুৰ জিলা আইন প্ৰাধিকৰণৰ বিষয়াসকলে লোক আদালতৰ সুবিধা গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

00000

শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিমৌত মাদক দ্ৰব্য সেৱন বিৰোধী অভিযান আৰু বাল্য বিবাহ তথা কিশোৰী গৰ্ভাৱস্থা সমস্যা সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত হয়। ডিমৌ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ৰ সহযোগত আয়োজিত এই অনুষ্ঠানত সন্তান সম্ভৱা তথা প্ৰসূতি মাতৃৰ লগতে শিশুৰ স্বাস্থ্য তথা চিকিৎসা সেৱাৰ বিষয়ে অৱগত কৰোৱা হয়। তদুপৰি সন্তান সম্ভৱা মহিলাৰ পুষ্টিকৰ খাদ্যাভ্যাস, স্বাস্থ্য যতন আদি সম্পৰ্কতো পৰামৰ্শ দিয়া হয়। অনুষ্ঠানত কেইবাগৰাকীও সমল ব্যক্তিয়ে মাদক দ্ৰব্যৰ বিৰুদ্ধে সকলোকে সজাগ হ'বলৈ উৎসাহিত কৰে।

00000

ঃঃ সমাপ্ত ঃঃ